# Foundation Day/Diamond Jubilee Lecture on "Assam through Ages" by Prof. Ranjit Dev Goswami






# নগাঁও ছোৱালী কলেজত হীৰক জয়ন্তীৰ স্মাৰক বক্তৃতানুষ্ঠান

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ১২ ছেপ্টেম্বৰ ঃ নগাঁও ছোৱালী কলেজৰ ৬১সংখ্যক প্ৰতিষ্ঠা দিৱসটি আৰু নৱাগত আদৰণি অনুষ্ঠানটি সোমবাৰে বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। এই উপলক্ষে দিনৰ ১০.৩০ বজাৰ পৰা অনুষ্ঠিত মুকলি সভা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা প্ৰাৰ্থনা হাজৰিকাৰ সত্ৰীয়া নৃত্যৰে শুভাৰম্ভ হয়। মুকলি সভাত সভাপতিত্ব কৰে নগাঁও ছোৱালী কলেজৰ পৰিচালনা সমিতিৰ সভাপতি ড° তোযেশ্বৰ নাথে।



*ৰঞ্জিত কুমাৰ দেৱগোস্বামীক সম্বৰ্ধনা জনাইছে অধ্যক্ষ বলীন ভূঞাই*

সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আভ্যন্তৰীণ মান প্ৰতিশ্ৰুতি কোষৰ সমন্বয়ক ৰঞ্জিত বৰুৱাই। আদৰণী ভাষণ আগবঢ়ায় নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ ড° বলীন কুমাৰ ভূঞাই। ছাত্ৰী একতা সভাৰ হৈ বক্তব্য আগবঢ়ায় সাধাৰণ সম্পাদিকা শুভাংগী কাশ্যপে। মুকলি সভাত হীৰক জয়ন্তীৰ বক্তৃতা প্ৰদান কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসনৰ অধ্যাপক, বিশিষ্ট শিক্ষাবিদ ৰঞ্জিত কুমাৰ দেৱগোস্বামীয়ে কয় যে হিব্ৰুভাষাত jokhar শব্দটোৰ অৰ্থ হৈছে মনত ৰখা। প্ৰয়াত মনীষীৰ এই আপ্তবাক্যৰে আৰম্ভ কৰি তেওঁ বিভিন্ন দিশৰ আলোচনাৰে এটি অতি সাৰুৱা বক্তব্য আগবঢ়ায়। লগতে তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে যে অসমৰ ইতিহাসক প্ৰধানকৈ কুমাৰ ভাস্কৰ বৰ্মাৰ যুগ, শংকৰী যুগ আৰু উনবিংশ শতিকাৰ নৱজাগৰণৰ যুগ আদি কৰি তিনিটা যুগত ভাগ কৰিব পাৰি। সভাত নগাঁও ছোৱালী কলেজৰ অধ্যাপক-অধ্যাপিকাসকলৰ হৈ বক্তব্য আগবঢ়ায় ড° মীৰা বৰুৱা আৰু শৰৎ হাজৰিকাই। সেইদৰে প্ৰাক্তন ছাত্ৰীৰ হৈ দিপ্তী দেৱী শৰ্মা আৰু প্ৰাক্তন অধ্যাপক-অধ্যাপিকাৰ হৈ ড° মঞ্জু লস্কৰে তেওঁলোকৰ অনুভৱ ব্যক্ত কৰে। নৱাগত ছাত্ৰীসকলৰ হৈ নিৰ্মালি মেধি, কনিচা দত্ত, পূজা শৰ্মা আদিয়ে নিজস্ব অনুভৱ ব্যক্ত কৰে। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জোনালী মুদৈয়ে আৰু শলাগৰ শৰাই আগবঢ়ায় অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অমিয়া পাটৰে।

---

আৰু ৰহকেহ গৰাকী ...

## নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠা দিৱসত ৰঞ্জিত কুমাৰ দেৱগোস্বামী

# অসমৰ ইতিহাসক কুমাৰ ভাস্কৰ বৰ্মা শংকৰী-নৱজাগৰণৰ যুগ হিচাপে ভাগ কৰিব পাৰি

নিয়মীয়া বাৰ্তা, মেৰেঙীয়া, ১৩ ছেপ্টেম্বৰ ঃ নগাঁও ছোৱালী কলেজৰ ৬১সংখ্যক প্ৰতিষ্ঠা দিৱসটো আৰু নৱাগতা আদৰণী অনুষ্ঠান বৰ্ণিল কাৰ্যসূচীৰে কালি অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাৰ শুভাৰম্ভকৰা হয় অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা প্ৰাৰ্থনা হাজৰিকাৰ সত্ৰীয়া নৃত্যৰে। মুকলি সভাত সভাপতিত্ব কৰে নগাঁও ছোৱালী কলেজৰ পৰিচালনা সমিতিৰ সভাপতি ড° তোযেশ্বৰ নাথে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আভ্যন্তৰীণ মান প্ৰতিশ্ৰুতি কোষৰ সমন্বয়ক ৰঞ্জিত বৰুৱাই। আদৰণী ভাষণ আগবঢ়ায় নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ ড° বলীন কুমাৰ ভূঞাই। ছাত্ৰী একতা সভাৰ হৈ বক্তব্য আগবঢ়ায় সাধাৰণ সম্পাদিকা শুভাংগী কাশ্যপে। মুকলি সভাত হীৰক জয়ন্তীৰ বক্তৃতা দি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসনৰ অধ্যাপক তথা বিশিষ্ট শিক্ষাবিদ ৰঞ্জিত কুমাৰ দেৱগোস্বামীয়ে কয় যে হিব্ৰু ভাষাত (jokhar) শব্দটোৰ অৰ্থ হৈছে মনত ৰখা। প্ৰয়াত মনীষীৰ এই আপ্ত বাক্যৰে আৰম্ভ কৰি তেওঁ বিভিন্ন দিশৰ আলোচনাৰে এটা অতি সাৰুৱা বক্তব্য আগবঢ়োৱাৰ লগতে ভাষণ প্ৰসংগত অসমৰ ইতিহাসক প্ৰধানকৈ কুমাৰ ভাস্কৰ বৰ্মাৰ যুগ, শংকৰী যুগ আৰু উনবিংশ শতিকাৰ নৱজাগৰণৰ যুগ আদি কৰি তিনিটা যুগত ভাগ কৰিব পাৰি বুলি উল্লেখ কৰে। সভাত নগাঁও ছোৱালী কলেজৰ অধ্যাপক-অধ্যাপিকাসকলৰ হৈ বক্তব্য দিয়ে ড° মীৰা বৰুৱা আৰু শৰৎ হাজৰিকাই। সেইদৰে প্ৰাক্তন ছাত্ৰীৰ হৈ দীপ্তি দেৱী শৰ্মা আৰু প্ৰাক্তন অধ্যাপক-অধ্যাপিকাৰ হৈ ড° মঞ্জু লস্কৰে অনুভৱ ব্যক্ত কৰা সভাখনত নৱাগত ছাত্ৰীসকলৰ হৈ নিৰ্মালী মেধি, কনিচা দত্ত, পূজা শৰ্মা আদিয়ে নিজস্ব অনুভৱ ব্যক্ত কৰে। শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জোনালী মুদৈয়ে আঁত ধৰা সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অমিয়া পাটৰে।